বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## হজৰত মছীহ মাওউদ (আঃ) ৰ নম্ৰতা আৰু বিনয়ৰ ঘটনাসমূহ আৰু নিজৰ জামাতক নম্ৰতা আৰু বিনয় অৱলম্বন কৰাৰ প্ৰতি উপদেশ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**চৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ০৫ জুন ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে, যোৱা খুতবাত হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ওৱাচ্ছালামৰ নম্ৰতা আৰু বিনয়ৰ ঘটনা বা উপদেশসমূহ বৰ্ণনা কৰা হৈছিল। আজিও এই প্ৰসংগত কিছুমান ঘটনা বৰ্ণনা কৰিম।

হজৰত শ্বেখ মহম্মদ ইছমাইল চাহাবে বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ওৱাচ্ছালামৰ উত্তম চৰিত্ৰৰ অৱস্থা এনে আছিল যে কাদিয়ানৰ যিসকল লোকে সদায় তেখেতৰ বিৰুদ্ধে শত্ৰুতাত লিপ্ত আছিল আৰু কোনো সুযোগেই হাতছাড়া কৰা নাছিল, তথাপিও তেওঁলোকে যেতিয়াই  তেখেতৰ দুৱাৰদলিত খটখটাইছিল তেখেত খালী ভৰিৰেই ওলাই আহিছিল আৰু ছালামৰ উত্তৰ দি সুধিছিল যে আপোনালোকে ভালে আছেনে আৰু তেওঁলোকৰ ঘৰৰ মানুহবোৰৰ খবৰ লৈছিল আৰু সুধিছিল কিয় আহিছে? তাৰ পিছত তেওঁলোকে যি প্ৰয়োজনৰ কথা কৈছিল, তেখেতে সুধিছিল কিমান প্ৰয়োজন আৰু তেওঁলোকৰ প্ৰয়োজনতকৈ অধিক আনি দিছিল।

হজৰত মৌলৱী শ্বেৰ আলী চাহাবে এবাৰ কৈছিল যে মীৰা বক্স চাউদায়ী নামৰ এজন মানসিকভাৱে ভাৰসাম্যহীন ব্যক্তি আছিল, তেওঁ এবাৰ হুজুৰক ডাঙৰ মছজিদৰ পৰা অহাৰ সময়ত অতি অভদ্ৰতাৰে মাতি পইচা খুজিছিল। তেখেতে নিজৰ ৰুমালৰ পৰা চাৰি বা আঠ আনা উলিয়াই তেওঁক দিছিল আৰু তেওঁ সুখী হৈ গুচি গৈছিল। মাষ্টৰ নজীৰ হুছেইন চাহাবে বৰ্ণনা কৰিছে যে যেতিয়াই মই মোৰ দেউতাৰ সৈতে কাদিয়ানত হুজুৰৰ ওচৰলৈ আহিছিলোঁ আৰু হুজুৰক খবৰ দিয়া হৈছিল যে হাকিম মৰহাম ঈছা চাহাব আহিছে, তেতিয়া মই সদায় দেখিবলৈ পাইছিলোঁ যে খবৰ পোৱাৰ লগে লগে তেখেতে তৎক্ষণাত ওলাই আহিছিল আৰু নিজে কিবা নহয় কিবা খাবলৈ আগবঢ়াইছিল। হুজুৰে ইমান সৰলতাৰে অতিথিসকলৰ সৈতে সাক্ষাৎ কৰিছিল যে মই কেতিয়াবা হুজুৰক (হজৰত মিৰ্জা গোলাম আহমদ আঃ)ক এনে অৱস্থাত দেখিছোঁ যে হুজুৰৰ হাতত কলম আছিল আৰু কেতিয়াবা তেওঁ আমাক লগ কৰিবলৈ খালী ভৰিৰেই গুচি আহিছিল, অৰ্থাৎ ভিতৰত তেওঁ যি অৱস্থাত বহি আছিল, ঠিক সেই অৱস্থাতে ওলাই আহিছিল।

হজৰত মুফতি মহম্মদ চাদিক চাহাব (ৰাঃ) কৈছে যে এবাৰ মই লাহোৰৰ পৰা কাদিয়ানলৈ আহিছিলোঁ। হজৰত চাহাব (আঃ) এ মোক মছজিদ-এ-মুবাৰকত বহুৱালে আৰু ক'লে, ”বহক, মই খাদ্য লৈ আহি আছোঁ। তাৰ পিছত কেইমিনিটমানৰ পিছত তেওঁ নিজেই এটা ডাঙৰ থালত খাদ্য লৈ উপস্থিত হ'ল। তাৰ পিছত ক'লে, আপুনি খাওক, মই পানী লৈ আহোঁ। মুফতি চাহাবে কয় যে (তেওঁৰ এই নম্ৰতা দেখি) স্বয়ংক্ৰিয়ভাৱে মোৰ চকুৰ পৰা চকুলো ওলাই আহিল।

হজৰত মুনশ্বী জাফৰ আহমদ চাহাব কাপুৰথলী (ৰা:)এ বৰ্ণনা কৰিছে যে হুজুৰ (আ:)এ কেতিয়াও খোলা দুৱাৰেৰে নবহিছিল, অৰ্থাৎ তেখেতে দুৱাৰখন বন্ধ কৰি বহিছিল। তেওঁ কয়, মই হুজুৰৰ কাষত বহি আছিলোঁ, তেনেতে অলপ সময়ৰ পিছত হজৰত চাহেবজাদা মিঞা মাহমুদ আহমদ চাহাবে ক'লে, ‘আব্বা, দুৱাৰ খোলক। হুজুৰে লগে লগে উঠি দুৱাৰখন খুলি দিছিল। এবাৰ মই তেওঁৰ সেৱাত উপস্থিত হওঁতে হুজুৰ ধাৰিৰ ওপৰত বহি আছিল। মোক দেখি তেওঁ এখন পলং (খাট) দাঙিলে আৰু ভিতৰলৈ লৈ গ'ল। মই ক'লোঁ, মই দাঙি লওঁ। তেখেতে ক'লে, ই বৰ গধুৰ, আপুনি দাঙিব নোৱাৰিব। ভিতৰত খাটখন পাৰি দি ক'লে, আপুনি ইয়াৰ ওপৰত বহক, মোৰ তলত আৰাম হ'ব, মই তলতেই বহিম। যেতিয়া মোৰ পিয়াহ লাগিল, তেতিয়া ক'লে, মই ভিতৰৰ পৰা গিলাচ লৈ আহোঁ। তাৰ পিছত ভিতৰৰ পৰা দুবটল চৰবত লৈ আহিল, যিটো কোনোবাই মণিপুৰৰ পৰা পঠিয়াইছিল। তেওঁ ক'লে, এই বটলকেইটা ৰাখি থোৱা বহুত দিন হ'ল, কাৰণ আমি প্ৰতিজ্ঞা কৰিছিলোঁ যে প্ৰথমে কোনোবা বন্ধুক মাতি খুৱাম, তাৰ পিছতহে নিজে খাম। তেওঁ মোক এগিলাচ চৰবত বনাই দিলে। মই ক'লোঁ, প্ৰথমে হুজুৰে ইয়াৰ পৰা অলপ খাই লওক। তেখেত (আঃ)এ এঢোক খালে। মই চৰবতৰ প্ৰশংসা কৰিলোঁ। তেখেতে ক'লে, এটা বটল আপুনি ৰাখি লওক আৰু আনটো বটল বাহিৰত থকা অতিথিসকলক খুৱাই দিওক।

এবাৰ লাহোৰৰ পৰা গণ্য-মান্য ব্যক্তিসকল, যাৰ ভিতৰত ডক্টৰ আল্লামা ইকবাল আৰু ছাৰ শ্বাহাবুদ্দিন আদিও অন্তৰ্ভুক্ত আছিল, তেওঁলোকে হুজুৰ (আঃ)ৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিছিল। এই সাক্ষাৎকাৰৰ সন্দৰ্ভত বাবু গোলাম মহম্মদ চাহাবে বৰ্ণনা কৰিছে যে ৰাতি আহাৰ গ্ৰহণ কৰাৰ পিছত যেতিয়া বিচনা (চাৰপায়ী) বিতৰণ কৰা হৈছিল, তেতিয়া মই এখন মজবুত আৰু ডাঙৰ বিচনা লৈছিলোঁ, কিন্তু চৌধুৰী শ্বাহাবুদ্দিন চাহাবে মোৰ বিচনাখন দখল কৰিলে। হজৰত চাহাব (আ:) আহি প্ৰতিজনকে সুধিলে, আপোনাৰ কিবা অসুবিধা হৈছে নেকি? প্ৰতিজন ব্যক্তিয়ে ক'লে, হজৰত, মোৰ কোনো অসুবিধা হোৱা নাই। যেতিয়া তেওঁ মোৰ ওচৰ পালেহি, মই চিন্তিত হৈ থিয় হৈ আছিলোঁ, কাৰণ মোৰ বিচনাখন শ্বাহাবুদ্দিন চাহাবে লৈ লৈছিল। মোক দেখি তেওঁ ক'লে, ৰব, মই আপোনাৰ বাবে ভিতৰৰ পৰা এখন বিচনা লৈ আহোঁ। বহু সময় হৈ গ'ল, কিন্তু কোনো অহা নাছিল, গতিকে মই ভিতৰলৈ জুমি চালোঁ আৰু দেখিলো যে এজন মানুহে খৰধৰকৈ বিচনাখন প্ৰস্তুত কৰি আছে, হজৰত চাহাব (আ:) এ তেওঁৰ মূৰৰ ওচৰত চাকি ধৰি বহি আছে। হুজুৰৰ এই অৱস্থা দেখি মই বৰ লাজ পালোঁ। মই অনুৰোধ কৰিলোঁ, হুজুৰ! চাকিটো মোক দি দিয়ক। হুজুৰে (আ:) ক'লে, এতিয়া মাথোঁ এটা পাকহে বাকী আছে। হুজুৰৰ এই মহান চৰিত্ৰ আৰু নৈতিকতা দেখি মোৰ ওপৰত ইমান গভীৰ প্ৰভাৱ পৰিল যে মোৰ চকুৰ পৰা চকুলো বৈ আহিল।

হজৰত মৌলৱী আব্দুল কৰিম চাহাব ছিয়ালকোটি (ৰাঃ)এ বৰ্ণনা কৰিছে যে সম্ভৱতঃ ১৮৯৬ চনৰ কথা আছিল। জুন মাহ আছিল আৰু ঘৰৰ ভিতৰভাগ নতুনকৈ নিৰ্মাণ কৰা হৈছিল। দুপৰীয়াৰ সময়ত তাত এখন বিচনা পৰা আছিল। মই শুই পৰিলোঁ। হজৰত চাহাবে খোজকাঢ়ি আছিল। মই যেতিয়া সাৰ পালোঁ, দেখিলো হুজুৰ বিচনাখনৰ তলত শুই আছে। মই ভয় পাই উঠি বহিলোঁ। তেখেতে সুধিলে, কিয় উঠিলে? মই কলো যে আপুনি তলত শুই আছে,

মই ওপৰত কেনেকৈ শুই থাকিম? তেতিয়া তেখেতে হাঁহি মাৰি ক'লে, মই দেখোন আপোনাৰ পহৰা দি আছোঁ। ল'ৰাবোৰে হুলস্থুল কৰি আছে। সিহঁতক বাধা দি আছিলোঁ যাতে আপোনাৰ টোপনিত ব্যাঘাত নজন্মে।

হজৰত মুন্সী ইমাম দীন চাহাব (ৰাঃ)এ বৰ্ণনা কৰিছে যে ১৮৯৪ চনত মই হজৰত মছীহ মাওউদ (আঃ)ৰ পৱিত্ৰ হাতত আনুগত্যৰ শপত গ্ৰহণ কৰিছিলোঁ। সন্ধিয়াৰ নামাজত মুন্সী আব্দুল আজিজ চাহাব মোৰ লগত আছিল। নামাজৰ পিছত মুন্সী চাহাবে মোৰ ফালে ইংগিত কৰি হুজুৰ (আঃ)কলে যে হুজুৰ! এওঁৰ বয়াত লৈ লওক। হুজুৰ (আঃ)এ ক'লে, ভিতৰলৈ আহক। মই অকলে ভিতৰৰ বাইতুল ফিক্ৰলৈ গ'লোঁ, তেতিয়া হুজুৰ (আঃ)এ মোক বিচনাৰ শিতানৰ ফালে বহুৱালে আৰু নিজে পথানৰ ফালে বহিল।

হুজুৰ (আঃ)এ কলে মোৰ অৱস্থা এনেকুৱা যে যদি কাৰোবাৰ কষ্ট হৈ থাকে আৰু মই নামাজত ব্যস্ত থাকোঁ, আৰু মোৰ কাণত তেওঁৰ মাত পৰেহি, তেন্তে মোৰ ইচ্ছা হয় যে নামাজ ত্যাগ কৰি হ'লেও যদি মই তেওঁক উপকাৰ কৰিব পাৰোঁ, তেন্তে কৰোঁ আৰু যিমান সম্ভৱ তেওঁৰ প্ৰতি সহানুভূতি দেখুৱাওঁ। কোনো ভাইৰ বিপদ আৰু কষ্টত তেওঁৰ কাষত থিয় নিদিয়াটো নৈতিকতাৰ পৰিপন্থী। যদি আপুনি তেওঁৰ বাবে একো কৰিব নোৱাৰে, তেন্তে অন্ততঃ দোৱা (প্ৰাৰ্থনা) কৰক। নিজৰ লোকৰ কথা বাদেই দিলোঁ, মই কওঁ যে অনা-মুছলিম আৰু হিন্দুসকলৰ সৈতেও তেনে নৈতিকতাৰ নিদৰ্শন দেখুৱাওক আৰু তেওঁলোকৰ প্ৰতি সহানুভূতিশীল হওক। কেতিয়াও উদাসীন স্বভাৱৰ হ'ব নালাগে।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ)এ কৈছে, হুজুৰ (আঃ) যেতিয়া কাকো লগ পাইছিল, তেতিয়া হাঁহিমুখে সাক্ষাৎ কৰিছিল, যাৰ ফলত তেওঁৰ সকলো ভাগৰ-কষ্ট দূৰ হৈ গৈছিল। তেওঁৰ প্ৰসন্নতা দেখি প্ৰতিগৰাকী আহমদীয়ে অনুভৱ কৰিছিল যে তেওঁৰ মজলিচলৈ (সভালৈ) গ'লে মনৰ সকলো দুখ ধুই নোহোৱা হৈ যায়। তেওঁৰ অভ্যাস আছিল যে অতি সৰু মানুহ এজনৰ কথাও মনোযোগেৰে শুনিছিল আৰু অতি মৰমেৰে উত্তৰ দিছিল। প্ৰতিজন মানুহেই নিজৰ ঠাইত ভাবিছিল যে হজৰত চাহাবে তেওঁক আটাইতকৈ বেছি মৰম কৰে। মজলিচত কেতিয়াবা কেতিয়াবা সভাৰ নীতি-নিয়ম নজনা মানুহেও বহু সময়লৈকে নিজৰ কথা শুনাই থাকিছিল আৰু হজৰত চাহাবে মনে মনে শুনি আছিল। কেতিয়াও কাকো কোৱা নাছিল যে এতিয়া বন্ধ কৰক। এজন ব্যক্তি তেওঁৰ সেৱাত আহিল। তেওঁ মূৰ তললৈ দোঁৱাই তেখেতৰ ভৰিৰ ওপৰত ৰাখিব খুজিলে। হজৰত চাহাবে হাতেৰে তেওঁৰ মূৰটো আঁতৰাই দিলে আৰু ক'লে, এই নিয়ম বৈধ নহয়। আছ-ছালামু আলাইকুম বুলি ক'ব লাগে আৰু কৰমৰ্দন কৰিব লাগে।

এজন ব্যক্তি, যি ফকীৰ আৰু ধৰ্মীয় গুৰুসকলৰ প্ৰতি অন্ধভক্ত আছিল, আমাৰ মছজিদলৈ আহিছিল। মানুহবোৰক ইমান স্বাধীনতাৰে কথা-বতৰা পাতি থকা দেখি তেওঁ আচৰিত হ'ল। তেওঁ তেখেত (আঃ)ক ক'লে যে আপোনাৰ মছজিদত কোনো আদৰ (শিষ্টাচাৰ) নাই, মানুহবোৰে আপোনাৰ সৈতে নিসংকোচে কথা পাতে। তেখেত (আঃ)এ কয়,

মোৰ এইটো কোনো পথ বা নীতি নহয় যে মই ইমান খঙাল আৰু ভয়ংকৰ হৈ বহি থাকিম যে মানুহে মোক হিংস্ৰ জন্তুৰ দৰে ভয় কৰিব। মই মূৰ্তি হোৱাটো তীব্ৰ ঘৃণা কৰোঁ। মই তো মূৰ্তিপূজা খণ্ডন কৰিবলৈহে আহিছোঁ, মই নিজেই মূৰ্তি হ'বলৈ আৰু মানুহে মোৰ পূজা কৰিবলৈ অহা নাই। আল্লাহ তা'লাই ভালদৰে জানে যে মই নিজকে আনৰ ওপৰত তিলমাত্ৰও প্ৰাধান্য নিদিওঁ। মোৰ দৃষ্টিত অহংকাৰী ব্যক্তিতকৈ ডাঙৰ মূৰ্তিপূজক আৰু নিন্দনীয় কোনো নাই। অহংকাৰীয়ে খোদাৰ উপাসনা নকৰে, বৰঞ্চ সি নিজৰেই উপাসনা কৰে।

হজৰত শ্বেখ আব্দুল কাদিৰ চাহেবে লিখিছে যে হজৰত মিৰ্জা চুলতান আহমদ চাহেবে কৈছিল যে দেউতাকে নিজৰ জীৱন এজন মোগল (অভিজাত) হিচাপে অতিবাহিত কৰা নাছিল, বৰঞ্চ এজন ফকীৰ (দৰিদ্ৰ সাধু) হিচাপেহে অতিবাহিত কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)এ ধৰ্মপৰায়ণ লোকসকলৰ বাবে এইটো চৰ্ত ৰাখিছে যে তেওঁলোকে নিজৰ জীৱন দৰিদ্ৰতা আৰু নম্ৰতাৰ মাজত অতিবাহিত কৰিব লাগে। এইটো ধৰ্মপৰায়ণতাৰ এটা শাখা যাৰ জৰিয়তে আমি অন্যায় ক্ৰোধৰ মোকাবিলা কৰিব লাগিব। ডাঙৰ ডাঙৰ তত্ত্বজ্ঞানী আৰু সত্যবাদীসকলৰ বাবে অন্তিম কঠিন স্তৰটো হ'ল ক্ৰোধৰ পৰা বাচি থকাটো। অহংকাৰ আৰু আত্মগৌৰৱৰ ক্ৰোধৰ পৰাই জন্ম হয়, আৰু কেতিয়াবা ক্ৰোধ নিজেই অহংকাৰ আৰু আত্মগৌৰৱৰ পৰিণাম হয়। কিয়নো ক্ৰোধ তেতিয়াহে উৎপন্ন হয় যেতিয়া মানুহে নিজক আনৰ ওপৰত প্ৰাধান্য দিয়ে। মই নিবিচাৰোঁ যে মোৰ জামাতৰ (সংগঠনৰ) লোকসকলে ইজনে সিজনক সৰু বা ডাঙৰ বুলি ভাবক বা ইজনে সিজনৰ ওপৰত অহংকাৰ কৰক নাইবা তুচ্ছ জ্ঞান কৰক। আল্লাহেহে জানে কোন ডাঙৰ আৰু কোন সৰু। কিছুমান মানুহে ডাঙৰ লোকক লগ পালে বৰ আদৰেৰে ব্যৱহাৰ কৰে। কিন্তু প্ৰকৃততে ডাঙৰ তেওঁহে, যিয়ে এজন দৰিদ্ৰ বা সাধাৰণ মানুহৰ কথা নম্ৰতাৰে শুনে, তেওঁক সান্ত্বনা দিয়ে আৰু তেওঁৰ কথাৰ মৰ্যাদা ৰাখে। মুখেৰে এনে কোনো কটু বা বিৰক্তিকৰ কথা আনিব নালাগে যাৰ দ্বাৰা কোনোবাই দুখ পায়। আল্লাহ তা'লাই কৈছে,

وَلَا تَنَابَزُوْا بِالْاَلْقَابِ ۚ بِئْسَ الِاسْمُ الْفُسُوْقُ بَعْدَ الْاِيْمَانِ ۚ وَمَنْ لَّمْ يَتُبْ فَاُولٰٓئِكَ هُمُ الظّٰلِمُوْنَ

*( ছূৰা আল-হুজুৰাত, আয়াত ১২)*

তেওঁ কৈছে যে তোমালোকে ইজনে সিজনক তাচ্ছিল্যসূচক বা ইতিকিং কৰা নামেৰে নামাকৰণ নকৰিবা। এইটো পাপাচাৰী আৰু দুৰাচাৰীসকলৰ কাম। যি ব্যক্তিয়ে কাৰোবাক জোকায় বা ইতিকিং কৰে, তেওঁ মৃত্যুবৰণ নকৰিব যেতিয়ালৈকে তেওঁ নিজেও একেদৰে সেই সমস্যাত লিপ্ত নহয়। নিজৰ ভাতৃসকলক তুচ্ছ জ্ঞান নকৰিবা। যেতিয়া সকলোৱে একেটা নিজৰাৰ পৰাই পানী খাইছা, তেন্তে কোনে জানে কাৰ ভাগ্যত বেছি পানী খোৱাটো লিখা আছে! আল্লাহ তা'লাই আমাক প্ৰকৃত অৰ্থত নম্ৰতা আৰু বিনয়ী ভাৱ গঢ়ি তোলাৰ তৌফিক (সামৰ্থ্য) দান কৰক আৰু হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ বয়াত ( আনুগত্যৰ শপত) গ্ৰহণ কৰি আমি যেন প্ৰকৃত ইছলামৰ শিক্ষা অনুসৰি কাম কৰিব পাৰোঁ আৰু ইয়াৰ প্ৰাপ্য অধিকাৰ আদায় কৰিব পাৰোঁ। (আমীন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهِ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 05 June 2026

Nazarat Nashor-O-Ishaat Qadian